# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 05-01-2025
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চাহিবাবাদ ষ্টেচনৰ পৰা নিউ অশোক নগৰ ষ্টেচনলৈ নমো ভাৰত ৰে'ল যোগে যাত্ৰা কৰি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে।

২। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে কয়, যে যোৱা কেইটামান সপ্তাহৰ পৰা চীনত সংক্ৰমিত হোৱা এইচ এম পি ভাইৰাছ সংক্ৰান্তত তীক্ষ্ণ দৃষ্টি ৰাখিছে।

৩। আমেৰিকা ৰাষ্ট্ৰপতি জো বাইডেনে হোৱাইট হাউচত প্ৰেছিডেন্সিয়েল মেডেল অৱ ফ্ৰিডম বঁটা প্ৰদান কৰে।

৪। চত্তিশগড়ত আজি নিৰাপত্তা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত কমেও ৪ জন মাওবাদী নিহত হৈছে। *আৰু*

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত চিডনীত অনুষ্ঠিত চলিত টেষ্ট শৃংখলাত অষ্ট্ৰেলিয়াই ভাৰতক ৩-১ ৰ ব্যৱধানত পৰাজিত কৰি পুনৰবাৰ বৰ্ডাৰ গাভাস্কাৰ ট্ৰফী দখল কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে দিল্লী এন চি আৰৰ বাবে আজি অতি গুৰুত্বপূৰ্ণ দিন। কিয়নো প্ৰথমবাৰৰ বাবে নমো ভাৰত ৰেলখনে ৰাজধানীত প্ৰৱেশ কৰিব আৰু দিল্লী মেট্ৰ' সম্প্ৰসাৰণকে ধৰি বহু উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন তথা আধাৰশিলা স্থাপন কৰা হব। সামাজিক মাধ্যমযোগে দিয়া এটা পোষ্টত শ্ৰীমোদীয়ে কয়, যে তেওঁৰ চৰকাৰে দিল্লীত স্থানীয় সংযোগ সম্প্ৰসাৰণৰ লগতে ভ্ৰমণ সুবিধাজনক কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে কয়, যে দিল্লী জনসাধাৰণে এতিয়া ৰাষ্ট্ৰীয় ৰাজধানীখনৰ সৰ্বাঙ্গীন উন্নয়নৰ সমান্তৰালকৈ জনসাধাৰণৰ কল্যাণৰ বাবে সম্পূৰ্ণৰূপে উৎসৰ্গিত এখন চৰকাৰ বিচাৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চাহিবাবাদ ষ্টেচনৰ পৰা নিউ অশোক নগৰ ষ্টেচনলৈ নমো ভাৰত ৰে'ল যোগে যাত্ৰা কৰে। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ ৰেলৰ ভিতৰত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰীয়ে আজি প্ৰায় ৪ হাজাৰ ৬০০ কোটি টকা ব্যয়ৰে নিৰ্মিত দিল্লী-গাজিয়াবাদ-মীৰাট নমো ভাৰত কৰিড'ৰেৰে চাহিবাবাদ আৰু নিউ অশোক নগৰৰ মাজৰ ১৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰে'ল পথছোৱা মুকলি কৰে। দিল্লী মেট্ৰ'ৰ ৪ নম্বৰ ফেজৰ ২ দশমিক ৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ জনকপুৰী আৰু কৃষ্ণপাৰ্কৰ মাজৰ ৰে'ল পথছোৱাও শ্ৰী মোদীয়ে উদ্বোধন কৰে। এই নতুন পথছোৱাৰ জৰিয়তে পশ্চিম দিল্লীৰ কৃষ্ণপাৰ্ক, বিকাশপুৰীৰ কিছু এলেকা জনকপুৰী আৰু অন্যান্য অঞ্চলৰ লোকসকলো উপকৃত হ'ব। প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াৰ লগতে দিল্লী মেট্ৰ'ৰ এই এলেকাতে ২৬ দশমিক ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ ৰিথালা-কুণ্ডলী খণ্ডৰ প্ৰায় ৬ হেজাৰ ২৩০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগা ৰে'লপথৰ আধাৰশিলা স্থাপন কৰিব। এই ক'ৰিড'ৰে দিল্লীৰ ৰিথালাৰ সৈতে হাৰিয়ানাৰ নাথপুৰক সংযোজিত কৰিব।

নতুন দিল্লীৰ ৰোহিনীত থকা কেন্দ্ৰীয় আয়ুৰ্বেদ গৱেষণা প্ৰতিষ্ঠানৰ নতুন ষ্টেট অব দ্যা আৰ্ট ভৱনৰো প্ৰধানমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিব। এই চৌহদে চিকিৎসা আন্তঃগাঁথনিৰ লগতে উন্নত স্বাস্থ্যসেৱা আগবঢ়াব। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিল্লীত ১২ হাজাৰ ২০০ কোটি টকাৰো অধিক পুঁজি ব্যয়েৰে কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰাৰ লগতে আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পসমূহৰ উদ্বোধনে দিল্লীৰ বিভিন্ন অঞ্চলৰ ৰাইজৰ যোগাযোগ আৰু পৰিবহণ সুচল কৰি তুলিব।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ে কয়, যে যোৱা কেইটামান সপ্তাহৰ পৰা চীনত সংক্ৰমিত হোৱা এইচ এম পি ভাইৰাছ সংক্ৰান্তত তীক্ষ্ণ দৃষ্টি ৰাখিছে। মন্ত্ৰালয়ে লগতে কয়, যে আই চি এম আৰে এইচ এম পি ভাইৰাছ পৰীক্ষণৰ বাবে গৱেষণাগাৰৰ সংখ্যা বৃদ্ধি কৰিব আৰু গোটেই বছৰটো এইচ এম পি ভিৰ প্ৰবৃত্তিৰ নিৰীক্ষণ সুনিশ্চিত কৰিব। মন্ত্ৰালয়ে এই বিষয়টোৰ ওপৰত বিচাৰ বিবেচনা কৰাৰ উদ্দেশ্যে নতুন দিল্লীত স্বাস্থ্য বিভাগৰ সঞ্চালক প্ৰধানৰ অধ্যক্ষতাত এখন  যুটীয়া নিৰীক্ষণ গোটক গঠন কৰে। স্বাস্থ্য বিভাগৰ সঞ্চালক প্ৰধান ডাঃ অতুল গোৱেলে জনসাধাৰণক শংকিত নহবলৈ আৰু এই ক্ষেত্ৰত প্ৰাথমিক সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনায়। যুটীয়া নিৰীক্ষণ গোটে পৰ্যবেক্ষণ কৰে যে ভাৰতকে ধৰি  বিশ্বজুৰি এই ভাইৰাছৰ উপস্থিতি ধৰা পেলোৱা হৈছে।

০০০০০

আমেৰিকা আৰু বিশ্বলৈ আগবঢ়োৱা অসামান্য অৱদানৰ বাবে বিভিন্ন ক্ষেত্ৰত ১৯ গৰাকী ব্যক্তিক আমেৰিকা ৰাষ্ট্ৰপতি জো বাইডেনে হোৱাইট হাউচত আমেৰিকাৰ স্থানীয় সময় অনুসৰি আজি প্ৰেছিডেন্সিয়েল মেডেল অৱ ফ্ৰিডম বঁটা প্ৰদান কৰে। আমেৰিকাৰ প্ৰাক্তন ফাষ্টলেডী হিলাৰী ক্লিণ্টত ফুটবল তাৰকা লিয়নেল মেছি, ফেশ্বন ডিজাইনাৰ ৰাল্ফ লৌৰেন আৰু বিতৰ্কিত উদ্যোগী জৰ্জ ছৰোছ বঁটাপ্ৰাপকসকলৰ ভিতৰত অন্যতম। বিশ্ব শান্তি আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিৰাপত্তা, সমৃদ্ধিৰ প্ৰতি উল্লেখনীয় অৱদান আগবঢ়োৱা ব্যক্তিসকলৰ প্ৰতি আমেৰিকাৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰেচিডেন্সিয়েল মেডেল অৱ ফ্ৰিডম প্ৰদান কৰা হয়।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডঃ মনসুখ মন্দাভিয়াই আজি গুজৰাটৰ পোৰবন্দৰত তেওঁৰ নিজা সমষ্টিত ফিট ইণ্ডিয়া মোভমেণ্টৰ অধীনত **চানদে'জ অন চাইকেল** পদক্ষেপত অংশগ্ৰহণ কৰে। পোৰবন্দৰৰ আপলেটা অঞ্চলত স্থানীয় ৰাইজৰ সৈতে ডাঃ মন্দাভিয়াই চাইকেল সমদলত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, যোৱা মাহত যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে ভাৰতীয় চাইক্লিং সংস্থাৰ উদ্যোগত আৰু **মাই ভাৰতৰ** সহযোগত দেওবাৰে চাইকেল চলাবলৈ জনসাধাৰণক উৎসাহিত কৰি সুস্বাস্থ্যৰ গৰাকী হ'বলৈ চানদে'জ অন চাইকেল পদক্ষেপ আৰম্ভ কৰিছে।

০০০০০

ভাৰতৰ ৰাষ্ট্ৰীয় ৰাইফল সংস্থাই  অহা মাহৰ পৰা নতুন দিল্লীৰ ডঃ কৰ্ণি সিং শুটিং ৰেঞ্জত কাৰিকৰী বিষয়াসকলৰ বাবে ইলেকট্ৰনিক শুটিং টাৰ্গেট চমুকৈ ই এছ টি পাঠ্যক্ৰমৰ জাননী জাৰি কৰিছে। এই পাঠ্যক্ৰমে কাৰিকৰী বিষয়াসকলৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। প্ৰথম পাঠ্যক্ৰম ১ৰ পৰা ৩ ফেব্ৰুৱাৰী আৰু

দ্বিতীয় পাঠ্যক্ৰম ৮ ৰ পৰা ১০ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। অলিম্পিক গোল্ড কোৱেষ্টৰ সহযোগত অনুষ্ঠিত এই পাঠ্যক্ৰম সম্পূৰ্ণৰূপে বিনামূলীয়া হ'ব।

০০০০০

অষ্টদশ প্ৰৱাসী ভাৰতীয় দিৱসৰ সৈতে সংগতি ৰাখি প্ৰৱাসী  ভাৰতীয় দিৱস সন্মিলন ২০২৫ ওডিশাৰ ৰাজধানী ভূবনেশ্বৰত ৮ জানুৱাৰীৰ পৰা আৰম্ভ হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয়, যে এই তিনিদিনীয়া সন্মিলনৰ মূল বিষয় হৈছে **এখন বিকশিত ভাৰতলৈ বিদেশত থকা ভাৰতীয় বংশোদ্ভৱসকলৰ অৱদান**। প্ৰায় ৫০ খন দেশৰ যথেষ্ট সংখ্যক  **ভাৰতীয় বংশোদ্ভৱ** এই সন্মিলনত অংশগ্ৰহণৰ বাবে নাম পঞ্জীয়ন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৯ জানুৱাৰীত এই সন্মিলন উদ্বোধন কৰিব। অনুষ্ঠানত ত্ৰিনিডাড আৰু টবেগো গণৰাজ্যৰ ৰাষ্ট্ৰপতি খ্ৰিষ্টাইন কাৰলা কাংগালুৱে ভাৰ্চুৱেলী মুখ্য অতিথিৰূপে ভাষণ দিব। প্ৰধানমন্ত্ৰী মোদীয়ে সন্মিলত ভাৰতীয় বংশোদ্ভৱ সকলৰ বাবে এক বিশেষ পৰ্যটন ৰেল-প্ৰৱাসী ভাৰতীয় এক্সপ্ৰেছৰ পতাকা জোকাৰি উদ্বোধন কৰিব। ৰেলখনে দিল্লীৰ নিজামুদ্দিন ৰেল ষ্টেছনৰ পৰা যাত্ৰা আৰম্ভ কৰিব। ৰেলখনে ৩ সপ্তাহ ধৰি ভাৰতৰ বিভিন্ন ধৰ্মীয় আৰু পৰ্যটনস্থলীসমূহলৈ যাত্ৰা কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ১০ জানুৱাৰীত সন্মিলনত সামৰণি সত্ৰত অধ্যক্ষতা কৰিব। ৰাষ্ট্ৰপতিগৰাকীয়ে এই অনুষ্ঠানত প্ৰৱাসী ভাৰতীয় সন্মান বঁটা ২০২৫ প্ৰদান কৰিব। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ সহযোগত ৮ জানুৱাৰীৰ দিনা যুৱ প্ৰৱাসী ভাৰতীয় দিৱস অনুষ্ঠিত হব।

০০০০০

চত্তিশগড়ত আজি নিৰাপত্তা বাহিনীৰ সৈতে সংঘৰ্ষত কমেও ৪ জন মাওবাদী নিহত হৈছে। এই সংঘৰ্ষত এজন নিৰাপত্তা বাহিনীৰ জোৱানো শ্বহিদ হয়। সংঘৰ্ষস্থলীৰ পৰা AK-47 আৰু নিজে লোড কৰিব পৰা ৰাইফলকে ধৰি যথেষ্ট পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু বাৰুদ উদ্ধাৰ কৰে। বাতৰি যুগুতোৱাৰ পৰলৈকে অঞ্চলটোত তালাচী আৰু গুলিচালনা অব্যাহত আছে।

০০০০০

চুডানৰ পশ্চিম অঞ্চলৰ উত্তৰ দাৰ্ফু প্ৰদেশৰ এল ফাচেৰ নগৰ আৰু ৰাজধানী নগৰ খাৰটোমত অৰ্ধসামৰিক বাহিনীৰ আৰ এছ এফৰ গোলাবৰ্ষণত কমেও ৮ জন অসামৰিক লোক নিহত হয় আৰু অন্য ৫৩ জন আহত হয়। খাৰটোমৰ স্বাস্থ্য মন্ত্ৰালয়ে কয়, যে প্ৰদেশখনৰ কাৰাৰী অঞ্চল আৰু চাৰ্ক অলনীল অঞ্চলত অৰ্ধসামৰিক বাহিনীটোৰ গোলাবৰ্ষণত   ৪ জন নাগৰিকৰ মৃত্যু হয় আৰু ৪৩ জন লোক আহত হয়। শুকুৰবাৰে এল ফাচেৰ আৱাসিক নগৰত আৰ এছ এফৰ আক্ৰমণত ৪ জন নাগৰিক নিহত হয় আৰু দহ জন অন্য লোক আহত হয়। আফ্ৰিকান দেশখনত সশস্ত্ৰ বাহিনী আৰু অৰ্ধসামৰিক বাহিনীটোৰ মাজত চলি থকা হিংসাত্মক ঘটনাৰ বাবে ভয়ানক পৰিস্থিতিৰ সৃষ্টি হৈছে।

০০০০০

জম্মু-কাশ্মীৰত কিস্তাৱাৰ জিলাৰ পাড্ডাৰ টহচীলৰ গাৱাৰ মাচছু অঞ্চলত এখন বাহন লুটি খাই দ' খাৱৈ এটাত পৰাত ৪ জন লোকৰ মৃত্যু হয় আৰু দুজন লোক সন্ধানহীন হয়। দুৰ্ঘটনাটোৰ পাছত জিলা প্ৰশাসনে উদ্ধাৰ অভিযান আৰম্ভ কৰিছে বুলি আমাৰ সংবাদদাতাই জনাইছে। কেন্দ্ৰীয় মন্ত্ৰী আৰু স্থানীয় সাংসদ ড° জীতেন্দ্ৰ সিঙে

কৰুণ ঘটনাটোৰ সন্দৰ্ভত শোক প্ৰকাশ কৰিছে। তেওঁ কিস্তাৰাৰ উপায়ুক্তৰ সৈতে কথা বতৰা পাতিছে বুলি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত চিডনীত অনুষ্ঠিত চলিত টেষ্ট শৃংখলাত অষ্ট্ৰেলিয়াই ভাৰতক ৩-১ ৰ ব্যৱধানত পৰাজিত কৰি পুনৰবাৰ ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী দখল কৰিছে। আজি খেলখনৰ তৃতীয় দিনা এই পৰাজয়ৰ ফলত ভাৰতৰ আই চি চি টেষ্ট ছেম্পিয়নশ্বিপৰ আশা নিৰ্বাপিত হয়। অষ্ট্ৰেলিয়াৰ স্কট বোলান্দক প্লেয়াৰ অৱ দ্যা মেচ আৰু যশপ্ৰীত বুমৰাক প্লেয়াৰ অৱ দ্যা চিৰিজ ঘোষণা কৰা হয়। কালি ৬টা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৪১ ৰানৰ পৰা আজি পুৰা ভাৰতে খেল আৰম্ভ কৰি কেৱল ১৬ ৰানহে যোগ দিবলৈ সমৰ্থ হয়। ভাৰতে দ্বিতীয় ইনিংছত ১৫৭ ৰাণ সংগ্ৰহ কৰিছিল।

আজি পঞ্চম তথা অন্তিমখন খেলত ভাৰতে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ১৬২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। অষ্ট্ৰেলিয়াই এই লক্ষ্য মাত্ৰ ২৭ অভাৰতে ৪ টা উইকেটৰ বিনিময়ত অনায়াসে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ প্ৰসিদ্ধ কৃষ্ণাই ৬৫ ৰান খৰছ কৰি ৩ টা উইকেট লাভ কৰে। মহম্মদ চিৰাজে এটা উইকেট লাভ কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ